গৌৰৱময় ইতিহাস আৰু বৰ্তমান

গোৱালপাৰা মহাবিদ্যালয়

দেশৰ স্বাধীনতা আন্দোলনে ভাৰতবৰ্ষক ইংৰাজ ঔপনিৱেশিকতাৰ পৰা মুক্ত কৰাৰ লগতে বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ আলোকেৰে অজ্ঞান অন্ধকাৰ নাশ কৰি প্ৰগতিৰ নতুন জোৱাৰ আনিবলৈ, এক নৱজাগৰণেৰে দেশবাসীক বিশ্বব্যাপী হোৱা উন্নয়নৰ সৈতে খোজ মিলাবলৈ বিভিন্ন প্ৰান্তৰত শিক্ষানুষ্ঠান স্থাপনৰ পথ মুকলি কৰিছিল। ১৯৫০ দশকত যেতিয়া গুৱাহাটীৰপৰা মানকাছাবলৈ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত কোনো উচ্চ শিক্ষাৰ অনুষ্ঠান নাছিল তেতিয়া স্বাধীনতাৰ পাছৰ প্ৰথম বিধায়ক তথা প্ৰখ্যাত স্বাধীনতা সেনানী খগেন্দ্ৰনাথ নাথৰ প্ৰচেষ্টাত বৰ্ণাঢ্য জাতিসত্তাৰ বাসভূমি তথা ইতিহাস প্ৰসিদ্ধ অসমৰ পৌৰাণিক নগৰ গোৱালপাৰাৰ মাজমজিয়াত গোৱালপাৰা মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল। কটন মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ অধ্যাপক গোৱালপাৰাৰ সু-সন্তান ওৱাজুদ্দিন আহমেদে কটন মহাবিদ্যালয়ৰ চাকৰি ত্যাগ কৰি প্ৰথম অধ্যক্ষৰ গুৰু দায়িত্ব লৈ গোৱালপাৰাত উচ্চ শিক্ষাৰ দুৱাৰ মুকলি কৰিছিল। গৌৰীপুৰ, ধুবুৰী, মানকাচাৰ, বিলাসীপাৰা, ধূপধৰা, দুধনৈ, মেঘালয়ৰ গাৰো পাহাৰ, কোচবিহাৰ আদি বিভিন্ন অঞ্চলৰ মেধাৱী ছাত্ৰ-ছাত্ৰীৰ বাবে গোৱালপাৰা মহাবিদ্যালয় হৈ পৰিছিল শৈক্ষিক চিন্তাৰ প্ৰাণকেন্দ্ৰ। প্ৰথমে কলা শাখাৰে আৰম্ভ কৰা মহাবিদ্যালয়খনত ১৯৬৩ চনত বিজ্ঞান শাখাৰ আৰম্ভ হয় আৰু জননেতা শৰৎ চন্দ্ৰ সিংহৰ মুখ্যমন্ত্ৰিত্বৰ কালত মহাবিদ্যালয়খনত বিজ্ঞান শাখাই ঘাটি মঞ্জুৰী লাভ কৰে। বৰ্তমান মহাবিদ্যালয়খনে কলা, বিজ্ঞান আৰু বাণিজ্য এই তিনিটা ধাৰাত শৈক্ষিক যাত্ৰা অটুট ৰাখিছে।

▷▶ জ্যোতিষ দাস
প্ৰাক্তন অধ্যক্ষ

গোৱালপাৰা মহাবিদ্যালয়ে অঞ্চলটোৰ বিভিন্ন জাতি-জনজাতি বিভিন্ন ধৰ্মীয় বিশ্বাসৰ বৈচিত্ৰতাক প্ৰতিনিধিত্ব কৰে। বিগত সাতটা দশক জুৰি একাংশ বুদ্ধিজীৱী, অভিযন্তা, সু-চিকিৎসক, অধ্যাপক, শিক্ষক তথা সমাজক বিভিন্ন দিশত নেতৃত্ব দিব পৰা লোক ওলাই আহিছে। অঞ্চলটোৰ এই উত্তৰণত গোৱালপাৰা মহাবিদ্যালয়ৰ বৰঙণি অনস্বীকাৰ্য। অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰা দুগৰাকী সু-সাহিত্যিকৰ গোৱালপাৰা মহাবিদ্যালয় আছিল কৰ্মভূমি। ডঃ মহেন্দ্ৰ বৰাই প্ৰায় ১৩ বছৰ অধ্যক্ষৰ আসন অলংকৃত কৰি গোৱালপাৰা মহাবিদ্যালয়ৰ উন্নয়নক নতুন মাত্ৰা প্ৰদান কৰিছিল। প্ৰখ্যাত লোক সংস্কৃতিবিদ ডঃ বীৰেন্দ্ৰ নাথ দত্তৰ গীতৰ স্মৃতি আজিও গোৱালপাৰা মহাবিদ্যালয়ত বিদ্যমান। মহাবিদ্যালয়খনৰ বৌদ্ধিক জয়যাত্ৰাত নিৰুপমা বৰগোহাঞি, প্ৰয়াত সাংসদ প্ৰবীণ শৰ্মা, অধ্যাপক মাখন শালৈ, দেৱান জয়নাল আবেদিন, বীৰেন্দ্ৰনাথ চৌধুৰী, কুলভূষণ দাস অধ্যাপক আবুল মাচুম, গোবিন্দ কলিতা, থানেশ্বৰ শৰ্মা আদি বিশিষ্ট শিক্ষাগুৰুসকলৰ বৰঙণি অপৰিসীম। বিদ্যায়তনিক ক্ষেত্ৰৰ লগতে গোৱালপাৰা মহাবিদ্যালয়ৰ সাংস্কৃতিক বৰঙণিও কম নহয়। শুক্ৰাচাৰ্য ৰাভাই শাল গছৰ তলত আৰম্ভ কৰা প্ৰকৃতিৰ অকৃত্ৰিম পৰিৱেশত কৰা নাটকৰ পৰীক্ষা-নিৰীক্ষাই সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছে। বলীউড আৰু হলীউডত অসমৰ নাম উজ্জ্বলাই তোলা আদিল হুছেইন, আশ্ৰাফুল হক, সংগীতত প্ৰয়াত জিতেন ডেকা, মৃণাল কান্তি, জবা চক্ৰৱৰ্তী, সুকন্যা ৰাভা আদি মহাবিদ্যালয়ৰ গৌৰৱ। বৰ্তমান এই মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সুভাষ বৰ্মনৰ নেতৃত্বত শিক্ষানুষ্ঠানখনে ৰেডিঅ' কেন্দ্ৰ, ৰাষ্ট্ৰীয়কৃত বেংক, খেলৰ অত্যাধুনিক সা-সুবিধা, আন্তঃগাঁথনি তথা বৌদ্ধিক পৰিৱেশৰ দিশত নতুন দিগন্তৰ সন্ধান দিছে। ডঃ বৰ্মনৰ সৃষ্টিশীল চিন্তা মহাবিদ্যালয়ৰ তোৰণ আৰু চৌহদৰ ভাস্কৰ্যত প্ৰতিফলিত হয়। এনে সু-পৰিকল্পনাৰ বাবে শিক্ষানুষ্ঠানখনৰ যি সৌন্দৰ্যবৰ্দ্ধন হৈছে সেয়া ৰাজ্যৰ খুব কম মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ত দেখা যায়। তেওঁৰ কাৰ্যপ্ৰণালীক লৈ গোৱালপাৰাবাসী গৌৰৱান্বিত।

অধ্যক্ষৰ একলম

▷▶ ডঃ সুভাষ বৰ্মন

পশ্চিম অসমৰ অগ্ৰণী শিক্ষানুষ্ঠান গোৱালপাৰা মহাবিদ্যালয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উচ্চ শিক্ষাৰ মানচিত্ৰৰ এক বৈশিষ্ট্যপূৰ্ণ স্থান অধিকাৰ কৰি আছে। বিজ্ঞান, কলা আৰু বাণিজ্যৰ তিনিটা শাখাত প্ৰায় চাৰি হেজাৰতকৈ অধিক ছাত্ৰ-ছাত্ৰীৰ মহাবিদ্যালয়খনে উচ্চ শিক্ষাৰ আধুনিক সা-সুবিধা বিশেষভাৱে ডিজিটেল শ্ৰেণীকোঠা, জৈৱ বিজ্ঞানৰ বাতানুকূল অত্যাধুনিক গৱেষণাগাৰ, ভাষা গৱেষণাগাৰ, জি আই এছ গৱেষণাগাৰ আদিৰ উপৰি দুটা উচ্চ মানৰ সভাগৃহৰ ছাত্ৰ-ছাত্ৰীক বিশ্বমানৰ শিক্ষাৰ সৈতে পৰিচয় কৰি দিবলৈ চেষ্টা চলাই আহিছে। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উৎকৰ্ষতাৰ উপৰি ৰাষ্ট্ৰীয় পৰ্যায়ৰ গুৰুত্বপূৰ্ণ অনুষ্ঠানৰ অৰ্থ সাহায্যত কেইবাটাও বৃহৎ গৱেষণা প্ৰকল্পৰ কাম চলি আছে। দেশৰ আগশাৰীৰ বিশ্ববিদ্যালয়সমূহৰপৰা শিক্ষা লাভ কৰা, প্ৰভুত অভিজ্ঞতা সম্পন্ন অধ্যাপক-অধ্যাপিকাৰ তত্ত্বাৱধানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শৈক্ষিক দিশৰ লগতে অন্যান্য দিশতো নিজৰ প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিবলৈ সক্ষম হৈছে। শৈক্ষিক বিষয়ৰ উপৰি সাংস্কৃতিক ক্ষেত্ৰত মহাবিদ্যালয়খনে বৰঙণি আগবঢ়াইছে। মহাবিদ্যালয়খনৰ খেলপথাৰ, বাস্কেটবল কোৰ্ট, ব্যায়ামাগাৰ আদিৰ জৰিয়তে খেলা-ধূলাৰ চৰ্চাৰ ফলত কেইবাজনো খেলুৱৈ ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজলি উঠিছে।

পশ্চিম অসমৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক সকলো দিশতে গোৱালপাৰা মহাবিদ্যালয়ৰ বৰঙণি উল্লেখযোগ্য। মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ (স্থলসেনা আৰু বায়ুসেনা), স্কাউট গাইড, ৰেডক্ৰছ আদি অনুষ্ঠানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক সামাজিক নেতৃত্বৰ প্ৰশিক্ষণ দি থকা হৈছে।

গোৱালপাৰা মহাবিদ্যালয়ৰ দুখন কেণ্টিন, ৰাষ্ট্ৰীয়কৃত বেংকৰ শাখা, ৮৯.৬ ৰেডিঅ' গোৱালপাৰা কেন্দ্ৰ আদিয়ে মহাবিদ্যালয়খনক শৈক্ষিক দিশত নতুন মাত্ৰা প্ৰদান কৰিছে। মহাবিদ্যালয় চৌহদৰ চৌপাশৰ দেৱাল, তোৰণ আদিত উত্তৰ-পূবৰ স্থাপত্য ভাস্কৰ্যৰ সমাহাৰে মহাবিদ্যালয়খনৰ চহকী ঐতিহ্যক প্ৰতিফলিত কৰিছে। যোৱা ডিচেম্বৰ আৰু ফেব্ৰুৱাৰীত ৰাষ্ট্ৰীয় প্ৰত্যায়ন আৰু মূল্যায়নৰ দুটা দলে পৃথকে পৃথকে মহাবিদ্যালয়খনৰ মূল্যায়ন কৰি A+ গ্ৰেড (৩.৪১) প্ৰদান কৰে আৰু এই গ্ৰেড গুৱাহাটীৰপৰা মানকাচৰলৈ সৰ্বোচ্চ তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত চতুৰ্থ। এনেদৰেই বিশিষ্ট সাহিত্যিক ডঃ মহেন্দ্ৰ বৰা, ডঃ বীৰেন্দ্ৰনাথ দত্ত, শুক্ৰাচাৰ্য ৰাভা, আদিল হুছেইন আদি বিখ্যাত অসমীয়াৰ স্মৃতি বিজড়িত গোৱালপাৰা মহাবিদ্যালয়ৰ বৌদ্ধিক যাত্ৰা অটুট আছে।

শুনি আছে ৰেডিঅ' গোৱালপাৰা ৮৯.৬ এফ এম...

'আপুনি শুনি আছে ৰেডিঅ' গোৱালপাৰা ৮৯.৬ এফ এম। আপোনাৰ নিজৰ ৰেডিঅ'।' গোৱালপাৰাৰ মাজমজিয়াৰে পাৰ হৈ যাওঁতে আপোনাৰ গাড়ীখনত অথবা আপুনি ৰৈ থকা চাহ দোকানখনত হঠাতে শুনা পাব পাৰে মজমিন, ভায়'লিনা বা জুম্মিতাৰ কণ্ঠৰ এই সুৰীয়া ঘোষণাটি। 'ৰেডিঅ' গোৱালপাৰা', গোৱালপাৰা মহাবিদ্যালয়ৰ শৈক্ষিক, সাংস্কৃতিক যাত্ৰাত নৱতম সংযোজন। দুপৰীয়া বাৰ বজাৰপৰা দুই বজালৈ আৰু আবেলি চাৰি বজাৰপৰা আঠ বজালৈ হোৱা দৈনিক সম্প্ৰচাৰত ৰেডিঅ' গোৱালপাৰাই সামৰি লয় মনোৰঞ্জন আৰু প্ৰজ্ঞা বিকাশৰ ন ন অনুষ্ঠান। সেয়া লাগিলে সোমবৰীয়া বিশেষ স্বাস্থ্য সম্পৰ্কীয় অনুষ্ঠান 'নিদানেই' হওঁক বা বুধবাৰৰ আইন সম্পৰ্কীয় বিশেষ 'বিধানেই' হওঁক, শুদ্ধ তথ্য গীতৰ মাজে মাজে শ্ৰোতালৈ আগবঢ়োৱাত ৰেডিঅ' গোৱালপাৰাৰ প্ৰচেষ্টা অকৃত্ৰিম, অকৃপণ। দেওবাৰে যদি 'মৌ-মাত'ত চপোৱাৰ একক আৰু অভিনৱ প্ৰচেষ্টা প্ৰতি সন্ধিয়া সাত বজাৰপৰা ৭-৩০ বজাৰ সম্প্ৰচাৰণ 'ৰেডিঅ' ক্লাছৰুম'ৰ কথাই বখানিম; গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰতিগৰাকী সদস্য 'ৰেডিঅ' গোৱালপাৰা'ৰ এই অনন্য যাত্ৰাৰ গৰ্বিত অংশীদাৰ।

▷▶ তৃষ্ণা বৰ্মন
সহকাৰী অধ্যাপিকা, প্ৰাণীবিজ্ঞান বিভাগ

গোৱালপাৰাৰ ভিন্ন প্ৰান্তৰ কণমানিহঁতৰ গীত, কবিতা, হাঁহিৰ ৰোল উঠে, শনিবাৰে হয়তো নামতী আইসকলৰ হাত চাপৰিৰে ষ্টুডিঅ'ৰ মজিয়া গুণগুমাই উঠে। দৈনিক সন্ধিয়া ৭-৩০বজাৰপৰা আঠ বজালৈ সম্প্ৰচাৰ হোৱা 'মনৰ দুৱাৰ খুলি'ৰ ভিন্ন সোৱাদৰ কথাই ক'ম নে শ্ৰেণীকোঠাক শিক্ষাৰ্থীৰ আৰু ওচৰ

গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন আৰু বৰ্তমানৰ কেইবাগৰাকী শিক্ষাৰ্থীয়ে স্ব-ইচ্ছাৰে 'আৰ জে' ৰূপে সেৱা আগবঢ়াই থকা 'ৰেডিঅ' গোৱালপাৰা'ত আছে বাৰ্তা আৰু বিনোদনৰ অভিনৱ সংমিশ্ৰণ। গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সুভাষ বৰ্মনৰ দক্ষ নেতৃত্বই এই সুৰ আৰু প্ৰজ্ঞাৰ যাত্ৰাক নতুন গতি প্ৰদান কৰিছে। গোৱালপাৰাৰ প্ৰতিটো সৰু-বৰ অংশৰ প্ৰতিগৰাকী ৰেডিঅ'প্ৰেমীৰ আস্থা আৰু চেনেহৰ 'নাম' হোৱাৰ লক্ষ্যৰে 'ৰেডিঅ' গোৱালপাৰা'ৰ এই গতি নিৰৱধি, অক্লান্ত।

আমাৰ গৌৰৱ

১৯৯৪ চনত গোৱালপাৰা মহাবিদ্যালয়ত মই যোগদান কৰিছিলোঁ। বিগত ৩০ বছৰে মহাবিদ্যালয়খনত শিক্ষাদানৰ লগতে মহাবিদ্যালয়ৰ উন্নতিৰ বাবে বিভিন্ন সময়ত বিভিন্ন উন্নয়নমূলক কামত জড়িত হৈ থাকি আমি মানৱ জীৱনৰ সাৰ্থকতা অনুভৱ কৰিছোঁ। গোৱালপাৰা নগৰৰ মাজমজিয়াত অৱস্থিত হৈও মহাবিদ্যালয়খনৰ মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যই সকলো লোকৰ মন আকৰ্ষিত কৰি আহিছে। বাহ্যিক সৌন্দৰ্যৰ লগতে মহাবিদ্যালয়খনৰ ভিতৰচ'ৰাত থকা শিক্ষা আহৰণ আৰু শিক্ষা প্ৰদানৰ আধুনিক সা-সুবিধাই ছাত্ৰ-ছাত্ৰীসকলক লাভৱান কৰি প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীকে শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক দিশত উৎকৰ্ষ সাধন কৰি সুনাগৰিকৰূপে গঢ়ি তোলাত সহায় কৰিছে। মহাবিদ্যালয়খনৰ শৈক্ষিক বাতাবৰণৰ মাজত ছাত্ৰ-ছাত্ৰীসকলৰপৰা পোৱা মৰম, ভক্তি, শ্ৰদ্ধাই আমাক সঞ্জীৱনী সুধা প্ৰদান কৰে। শৈক্ষিক বাতাবৰণ উন্নতিৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু শিক্ষকসকলে বিভিন্ন সময়ত ৰাজ্যিক পৰ্যায়ৰ, ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ, কৰ্মশালা আদি অনুষ্ঠিত কৰি আহিছে। সেইসমূহৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল লাভৱান হোৱাৰ লগতে আমিও অংশগ্ৰহণ কৰি বহু অভিজ্ঞতা লাভ কৰিছোঁ। বৰ্তমানৰ উৎসাহী, সাহসী, পৰিশ্ৰমী, কৰ্মক্ষম অধ্যক্ষৰ তত্ত্বাৱধানত মহাবিদ্যালয়খনে এক নতুন গতি ল'বলৈ সক্ষম হৈছে। এইখন মহাবিদ্যালয়ৰ সৈতে জড়িত হ'বলৈ পাই নিজকে সৌভাগ্যৱান বুলি ভাবিছোঁ।

▷▶ ডঃ ভানু বেজবৰা
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ

প্ৰাপ্তি আৰু স্মৃতি

▷▶ প্ৰবীৰ নাথ
পদাৰ্থ বিজ্ঞান বিভাগ

গোৱালপাৰা মহাবিদ্যালয়, পশ্চিম অসমৰ শিক্ষা জগতৰ এক সুউচ্চ আলোকস্তম্ভ, যাৰ পোহৰত জিলিকি উঠিছে শ শ জ্ঞান পিপাসু শিক্ষাৰ্থী। হেজাৰ সপোন বুকুত বান্ধি উপস্থিত হৈছিলোঁ জ্ঞানৰ অকৃপণ দানেৰে সমৃদ্ধ এই শিক্ষাভূমিত। ৰিণি ৰিণি মনত পৰে মহাবিদ্যালয়ত প্ৰথমটো দিন, প্ৰথম ষাণ্মাসিকৰ প্ৰথমটো শ্ৰেণী, নৱাগত আদৰণী সভা। এইদৰে তিনিটাকৈ বছৰ গৰকি এতিয়া মই পদাৰ্থ বিজ্ঞানত স্নাতক হোৱাৰ দুৱাৰডলিত। বিগত বৰ্ষকেইটাত মোৰ শাৰীৰিক, বৌদ্ধিক তথা মানসিক বিকাশৰ বাবে মহাবিদ্যালয়খন তথা অধ্যক্ষ প্ৰমুখ্যে প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকাৰ ওচৰত সদায়েই কৃতজ্ঞ হৈ ৰ'ম। ২০২৩ বৰ্ষত গুৱাহাটীত অনুষ্ঠিত 'জি-২০ যুৱ সন্মিলন'ত গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰতিনিধি হিচাপে যোগ দি আমাৰ দেশ তথা ৰাজ্যৰ বিভিন্ন চিন্তাশীল ব্যক্তিৰ সৈতে মত বিনিময় কৰাৰ সুযোগ লাভ কৰিলোঁ। তাৰ বাবে মই অধ্যক্ষ ডঃ সুভাষ বৰ্মন ছাৰৰ ওচৰত কৃতজ্ঞ। গোৱালপাৰা মহাবিদ্যালয়খনক অসমৰ শিক্ষাক্ষেত্ৰৰ এক উজ্জ্বল নক্ষত্ৰৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত মহাবিদ্যালয় পৰিচালনা সমিতি, অধ্যক্ষ প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, শিক্ষাৰ্থীগণ তথা শুভাকাংক্ষীসকলে যি সন্মিলিত 'আন্দোলন'ৰ সূচনা কৰিলে তাৰেই ফচলৰূপে মহাবিদ্যালয়খনে 'ৰাষ্ট্ৰীয় মূল্যায়ন আৰু স্বীকৃতি পৰিষদ' চমুকৈ 'NAAC'ৰদ্বাৰা 'এ প্লাছ' (A+) গ্ৰেড লাভ কৰে। এইখন মহাবিদ্যালয়ৰ শিক্ষাৰ্থী হিচাপে পৰিচয় দি আমি গৌৰৱান্বিত।

এন চি চিৰ সফলতা

▷▶ ৰশ্মি হাজৰিকা
সহকাৰী অধ্যাপিকা

গোৱালপাৰা মহাবিদ্যালয়ত আছে এন চি চিৰ দুটা শাখা— আৰ্মী আৰু এয়াৰ উইংছ। গোৱালপাৰা মহাবিদ্যালয়ৰ কেডেটসকলে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন মঞ্চত লক্ষণীয় প্ৰদৰ্শন আগবঢ়াই আহিছে। অধ্যক্ষ ডঃ সুভাষ বৰ্মনৰ নিৰন্তৰ সমৰ্থন আৰু পথ প্ৰদৰ্শন গোৱালপাৰা মহাবিদ্যালয় এন চি চি গোটৰ এই সফলতাৰ অন্যতম অনুপ্ৰেৰণাৰ উৎস। মহাবিদ্যালয়খনৰ উইঙত ১০০জন কেডেট আছে, যাৰ ভিতৰত ৫৩জন এছ ডি (ছিনিয়ৰ ডিভিজন) বয় আৰু ৪৭গৰাকী এছ ডব্লিউ (ছিনিয়ৰ উইং) গাৰ্লছ। এই উইং ৩০ অসম বেটেলিয়ন এন চি চিৰ অন্তৰ্গত। কেডেটসকলে গণৰাজ্য দিৱস শিবিৰ, থল সৈনিক শিবিৰ, যুৱ বিনিময় কাৰ্যসূচী, ট্ৰেকিং, বাৰ্ষিক প্ৰশিক্ষণ শিবিৰ, শ্বুটিং শিবিৰ আদি বিভিন্ন শিবিৰত অংশগ্ৰহণ কৰাৰ সুযোগ পায়। এন চি চি বেটেলিয়নৰ এনে সফলতাৰে অনুপ্ৰাণিত হৈ ছাত্ৰ-ছাত্ৰীক নতুন সুযোগ প্ৰদান কৰিবলৈ মহাবিদ্যালয়খনে এন চি চি এয়াৰ উইঙেৰে নতুন পদক্ষেপ গ্ৰহণ কৰিছে। 50 Assam Air Sqn NCCৰ অধীনৰ এই উইংটোত ১৭জন কেডেট আছে। গোৱালপাৰা মহাবিদ্যালয়ৰ এন চি চি সেনাৰ উইং কেডেটসকলে ২০২১, ২০২২ আৰু ২০২৪ চনত ৩০ অসম বেটেলিয়নৰ অধীনত বিগত তিনি বছৰৰপৰা চি এ টি চিত শ্ৰেষ্ঠ প্ৰতিষ্ঠানৰ বঁটা লাভ কৰি আহিছে। ২০২১ চনৰপৰা ২০২৩ চনলৈ একেৰাহে তিনি বছৰ ধৰি জিলা মুখ্য কাৰ্যালয়, গোৱালপাৰাত অনুষ্ঠিত স্বাধীনতা দিৱসৰ পেৰেডত গোৱালপাৰা কলেজ আৰ্মী উইং কেডেটসকলে শ্ৰেষ্ঠ মাৰ্চিং কণ্টিজেণ্ট ট্ৰফী লাভ কৰিবলৈ সক্ষম হৈছে। গোৱালপাৰা মহাবিদ্যালয়ত মুঠ ২৭গৰাকী কেডেটে তিনি বছৰৰ ভিতৰত চি প্ৰমাণপত্ৰ আৰু ৫৭গৰাকী কেডেটে বি প্ৰমাণপত্ৰ লাভ কৰে।

স্মৃতি সুঁৱৰি

▷▶ ডঃ চিন্তাময়ী সাৰঙ্গী
সহযোগী অধ্যাপিকা, শিক্ষা বিভাগ

১৯৯০ চনৰ নৱেম্বৰৰ এটি দিনৰ শুভ মুহূৰ্তত মই এই গোৱালপাৰা মহাবিদ্যালয়ৰ পবিত্ৰ প্ৰাংগণত পদাৰ্পণ কৰিছিলোঁ। চৌত্ৰিশ বছৰৰ মোৰ শিক্ষকতা জীৱন সঁচাকৈ অসাধাৰণ বুলি ক'ব পাৰোঁ। মোৰ মাতৃভূমি আৰু মাতৃভাষাৰপৰা বহু দূৰৈত মই জীৱনৰ কৰ্মভূমিৰূপে গ্ৰহণ কৰিছিলো গোৱালপাৰা মহাবিদ্যালয়খনক। সুদূৰ ওড়িশাৰপৰা আহি অসমৰ পানী, মাটি, বতাহৰ লগতে অসমৰ মানুহ আৰু অসমীয়া ভাষাক আপোন কৰি লৈছিলোঁ সেই দিনৰপৰাই। বিকালী মহাবিদ্যালয়, ধূপধৰাত যদিও মোৰ অসমীয়া ভাষাৰ প্ৰাথমিক শিক্ষা হৈছিল, এই মহাবিদ্যালয়ৰ পৰিয়াল আৰু গোৱালপাৰাবাসীৰ মৰম, শ্ৰদ্ধা, আশীৰ্বাদ সহায় আৰু সহানুভূতি মোৰ জীৱনৰ পাথেয় হৈছিল। বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশে আমাৰ কৰ্ম জীৱনলৈ আনে এক প্ৰত্যাহ্বান আৰু 'Struggle for the Existance'ৰ বাৰ্তা। শিক্ষকতাৰ এই সুদীৰ্ঘ কৰ্ম জীৱনত বহু উল্লেখযোগ্য পৰিৱৰ্তন প্ৰত্যক্ষ কৰিছো। এফালে, ঐতিহ্যপূৰ্ণ পৰম্পৰাগত শ্ৰেণীকোঠা ব্যৱস্থাৰপৰা ডিজিটেল স্মাৰ্ট শ্ৰেণীকোঠা, অনলাইন শ্ৰেণী, গুগল শ্ৰেণীকোঠা, লাৰ্নিং মেনেজমেণ্ট ছিষ্টেম (LMS) আদি বিভিন্ন ধৰণৰ প্ৰযুক্তিমূলক শিক্ষণ আৰু শিক্ষণ পদ্ধতিয়ে বৈপ্লৱিক পৰিৱৰ্তনৰ সৃষ্টি কৰিছে। ইয়াৰ ফলত মহাবিদ্যালয়ৰ সামগ্ৰিক দিশৰ আমূল পৰিৱৰ্তনৰ বাট মুকলি হৈছে। আজি মহাবিদ্যালয়খনে অন্তৰ্ভুক্তিমূলক আৰু বৈচিত্ৰ্যৰ ওপৰত গুৰুত্ব দি সাংস্কৃতিক আৰু ব্যক্তিগত পাৰ্থক্যৰ ভিত্তিত শিক্ষাদানৰ সংস্কৃতি সৃষ্টি কৰিবলৈ সক্ষম হৈছে। শিক্ষক-শিক্ষাৰ্থীসকলে জ্ঞান আহৰণ তথা গৱেষণামূলক কাৰ্যত ব্যস্ত হৈ পৰিছে আৰু এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ সবল লাইব্ৰেৰী, Digital Archieve-এ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ জ্ঞান-তৃষ্ণাক নিবাৰণ কৰিবলৈ সক্ষম হৈছে।

অধ্যক্ষ ডঃ সুভাষ বৰ্মনৰ সবল নেতৃত্বত আমিও বহু পৰিৱৰ্তনৰ সাক্ষী হৈছো। এই মহাবিদ্যালয়খনে এ প্লাছ গ্ৰেড লাভ কৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে আগশাৰীৰ এখন মহাবিদ্যালয় হোৱাৰ সুখ্যাতি লাভ কৰিব পাৰিছে। মোৰ সন্তানসম ছাত্ৰ-ছাত্ৰীসকলক লৈ মই আজি গৰ্বিত। তেওঁলোকৰ প্ৰতিভা আৰু ব্যক্তিত্বৰ বিকাশত মোৰ যদি সামান্য বৰঙণিও আছে, সেয়াই হ'ব মোৰ শিক্ষকতা জীৱনৰ সাৰ্থকতা।

শিক্ষাৰ্থীৰ অনুভৱ

সুদীৰ্ঘ সময় ধৰি গোৱালপাৰা মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীসকলক উৎকৃষ্ট শিক্ষা প্ৰদান কৰি আহিছে। মোৰ দেউতা এইখন মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। সেইসূত্ৰে ময়ো দেউতাৰ মুখত মহাবিদ্যালয়খনৰ গুণ-গান শুনি ইয়াত শিক্ষাগ্ৰহণ কৰিবৰ বাবে ইচ্ছুক হৈছিলো। মহাবিদ্যালয়খনৰ প্ৰতিটো বিভাগৰ এক সুকীয়া বৈশিষ্ট্য আৰু পৰিচয় আছে। অধ্যাপক-অধ্যাপিকাসকলে পাঠ্যক্ৰমৰ বাহিৰেও দক্ষতা আৰু ব্যক্তিত্ব গঢ় দিব পৰা কাৰ্যত অংশগ্ৰহণ কৰিবলৈ আমাক অনুপ্ৰাণিত কৰে। তদুপৰি আমাক প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ তথা মাৰ্গদৰ্শন প্ৰদান কৰি এক সুস্থিৰ ভৱিষ্যৎ সুনিশ্চিত কৰিবলৈ নেতৃত্ব দিয়ে। ইয়াৰ ফলতেই বহু ছাত্ৰ-ছাত্ৰীয়ে প্ৰতি বছৰে বিভিন্ন ক্ষেত্ৰত সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়। প্ৰত্যেক ষাণ্মাসিকতে আমি পূৰ্বতকৈ এখোজ আগবাঢ়ি যোৱাৰ সাহস পাওঁ, সেয়া লাগিলে লিখা-পঢ়াৰ ক্ষেত্ৰত হওক নাইবা অন্য কোনো বিকাশৰ দিশত। গোৱালপাৰা মহাবিদ্যালয় মোৰ দৰে বহু ছাত্ৰ-ছাত্ৰীৰ সপোনৰ শিক্ষানুষ্ঠান। আমি গৌৰৱান্বিত আৰু কৃতজ্ঞ।

▷▶ কাজমী চৌধুৰী, প্ৰাণী বিজ্ঞান বিভাগ

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ খতিয়ান

▷▶ ডঃ যুগব্ৰত দাস
সহকাৰী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ

গুৱাহাটী বিশ্ববিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি (এন এছ এছ)ৰ অধীনত আৰম্ভ হোৱা গোৱালপাৰা মহাবিদ্যালয় এন এছ এছৰ বৰ্তমান দুটি গোটত মুঠ ২০০ স্বেচ্ছাসেৱকে কাৰ্যসূচী বিষয়া হিচাপে আমাৰ তত্ত্বাৱধানত সমাজ তথা দেশৰ উন্নয়নৰ বাবে 'নিজতকৈ আগত আপুনি' মূলমন্ত্ৰৰে সেৱা আগবঢ়াই আছে। বিগত তিনিটা বৰ্ষত এই আঁচনিৰ অধীনত গোট অথবা স্বেচ্ছাসেৱক পৰ্যায়ত তিনিশৰো অধিক কাৰ্যসূচী সফলতাৰে সম্পন্ন কৰাৰ লগতে বিভিন্ন ক্ষেত্ৰত ২০টাৰো অধিক শিবিৰ আয়োজন কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ যুৱ কল্যাণ আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ অনুদানত তথা গোৱালপাৰা নেহৰু যুৱ কেন্দ্ৰ আৰু গুৱাহাটী বিশ্ববিদ্যালয় এন এছ এছ কোষৰ সহযোগত যোৱ